অসম
Assam

# গুৱাহাটীত ১ কোটি ৩২ লাখ টকাৰ বিদেশী চিগাৰেট জব্দ

**September 21, 2022**




> শুল্ক বিভাগৰ এটা দলে অভিযান চলাই গুৱাহাটীৰ কেৰাকুচিৰ এটা গুদামৰ পৰা বৃহৎ পৰিমাণৰ বিদেশী চিগাৰেট জব্দ কৰে (Foreign cigarettes seized from Guwahati)। গুদামটোত ৬ লাখৰো অধিক বিদেশী চিগাৰেট আছিল । শুল্ক বিভাগে ঘটনাৰ অধিক অনুসন্ধান আৰম্ভ কৰিছে ।

গুৱাহাটী,২১ ছেপ্টেম্বৰ : অসমৰ ৰাজধানী চহৰ গুৱাহাটীত শুল্ক বিভাগৰ বৃহৎ অভিযান (Customs raid in Guwahati)। শুল্ক বিভাগৰ এটা দলে অভিযান চলাই ১ কোটি ৩১ লাখ টকাৰ অবৈধ বিদেশী চিগাৰেট জব্দ কৰিবলৈ সক্ষম হয় (Huge amount of Foreign cigarettes seized)। গুৱাহাটীৰ কেৰাকুচিৰ এটা গুদামত চলিছিল এই অভিযান । গুদামটোত মজুত কৰি থোৱা অৱস্থাত প্ৰায় ৬ লাখ ১ হাজাৰ ৪০০ টা বিদেশী চিগাৰেট জব্দ কৰে অভিযানকাৰী দলটোৱে ।

শুল্ক বিভাগৰ এগৰাকী বিষয়াই জনোৱা মতে, গুৱাহাটী শুল্ক বিভাগৰ উপ-আয়ুক্তৰ নেতৃত্বত দলটোৱে অভিযান চলাই এই বৃহৎ পৰিমাণৰ বিদেশী চিগাৰেটৰ পেকেট উদ্ধাৰ কৰিবলৈ সক্ষম হয় । গোপন সূত্ৰৰ পৰা লাভ কৰা এক তথ্যৰ ভিত্তিত উক্ত গুদামটোত দলটোৱে অভিযান চলাইছিল ।

জানিব পৰা মতে সূত্ৰৰ খবৰৰ ভিত্তিত শুল্ক বিভাগে গুদামটো নিৰীক্ষণত ৰাখিছিল । পৰৱৰ্তী সময়তে মজুত কৰি ৰখা চক্ৰটোৱে চিগাৰেটখিনি আন ঠাইলৈ স্থানান্তৰৰ পৰিকল্পনা কৰিছিল । তাৰ পূৰ্বেই শুল্ক বিভাগৰ দলটোৱে গুদামটোত অভিযান চলাই আৰু বিদেশী চিগাৰেটখিনি জব্দ কৰিবলৈ সক্ষম হয় (Foreign cigarettes seized from Guwahati)।

অভিযানৰ সময়ত, ESSE আৰু Benson & Hedgesৰ দৰে বিদেশী চিগাৰেটৰ পেকেটৰ সৈতে টাটা এচ পিকআপ ভান এখনো অভিযানকাৰী দলটোৱে জব্দ কৰে। ইতিমধ্যে শুল্ক বিভাগে চিগাৰেটখিনি জব্দ কৰাৰ লগতে পৰৱৰ্তী অনুসন্ধান আৰম্ভ কৰিছে। অৱশ্যে এই অভিযানত কোনো লোক আটক হোৱাৰ তথ্য এতিয়ালৈ পোৱা হোৱা নাই ।

Source: https://www.etvbharat.com/assamese/assam/state/kamrup-metropolitan/foreign-cigarettes-worth-1-crore-32-lakhs-recovered/assam20220921113634087087661

*****

**Translation**

A team from the Customs Department conducted a raid and managed to seize illegal foreign cigarettes worth Rs 1.31 crore (Huge amount of Foreign cigarettes seized). The raid was carried out at a godown in Kerakkuchi in Guwahati. The raiding team seized around 6 lakh 1 thousand 400 foreign cigarettes stored in the godown.

According to an official of the Customs Department, the team led by the Deputy Commissioner of Guwahati Customs Department conducted a raid and managed to recover the huge quantity of foreign cigarette packets. The team raided the godown on the basis of a tip-off received from secret sources.

It is learnt that the customs department had kept the godown under observation based on sources. Later the storage circle had planned to shift the cigarette to another location. Earlier, the customs team raided the warehouse and managed to seize the foreign cigarettes (Foreign cigarettes seized from Guwahati).

During the raid, the raiding team also seized a Tata's pickup van along with foreign cigarette packets like ESSE and Benson & Hedges. The customs department has already seized the cigarette and launched further investigation. However, no arrest has been reported so far in the operation.